# দূৰ আৰু মুক্ত শিক্ষা প্ৰতিষ্ঠান

গুৱাহাটী বিশ্ববিদ্যালয়

গৃহপঞ্জী

চতুৰ্থ ষাণ্মাসিক

অসমীয়াৰ স্নাতকোত্তৰ পাঠ্যক্ৰম, ২০১২-২০১৩

নিৰ্দেশাৱলী ঃ

*১) বিদ্যাৰ্থীসকলৰ নাম, শৈক্ষিক বৰ্ষ, ৰোল নং আৰু শিৰোনাম (প্ৰশ্নৰ) ওপৰৰ পৃষ্ঠাত স্পষ্টকৈ উল্লেখ কৰিব লাগিব।*

*২) প্ৰতিখন কাকতৰ বাবে দুটাকৈ প্ৰশ্ন থাকিব আৰু প্ৰতিটো প্ৰশ্নোত্তৰ ৫০০ শব্দৰ ভিতৰত হ'ব লাগিব। অতিৰিক্ত শব্দ সংখ্যাৰ বাবে ঋণাত্মক মূল্যায়ণ হ'ব।*

*৩) প্ৰতিটো প্ৰশ্নোত্তৰৰ বাবে মূল্যাংক থাকিব ৮। মুঠ মূল্যাংক ১৬ (৮ X ২)।*

*৪) বিদ্যাৰ্থীসকলে প্ৰশ্নোত্তৰসমূহ পৰিস্কাৰ হাতৰ আখৰেৰে **A4** আকৃতিৰ কাগজৰ এপিঠিত লিখি জমা দিব লাগিব। লিখোতে প্ৰতিটো পৃষ্ঠাৰে চাৰিওফালে এক ইঞ্চিকৈ খালি ঠাই এৰিব লাগিব।*

*৫) মুদ্ৰক যন্ত্ৰৰ সহায়ত লিখা প্ৰশ্নোত্তৰৰ মূল্যায়ন কৰা নহ'ব।*

*৬) ব্যৱসায়িক ভিত্তিত বিক্ৰী কৰা প্ৰশ্নোত্তৰ জমা দিয়াটো অনৈতিক কাৰ্য হিচাপে গণ্য কৰা হ'ব।*

*৭) গৃহপঞ্জীসমূহ ২০১৪ ইংৰাজী বৰ্ষৰ **মে' মাহৰ ৫ তাৰিখ অথবা তাৰ আগতে** জমা দিব লাগিব।*

---

**সাহিত্য (ক) অথবা ভাষা (খ) শাখাৰ যিকোনো এটা শাখাৰ পৰা উত্তৰ লিখিব**

**আটাইবোৰ প্ৰশ্নই বাধ্যতামূলক। প্ৰতিটো প্ৰশ্নৰ মূল্যাংক ৮**

## সাহিত্য শাখা ঃ

### পাঠ্যবিষয় ৪.১ (ক)

১। বেদ, উপনিষদ, গীতা আৰু ভাগৱতৰ আধাৰত ভক্তি ধৰ্মৰ কেনেদৰে বিকাশ ঘটিছে আলোচনা কৰক।

২। ভাগৱতধৰ্ম আৰু নামধৰ্ম সম্পৰ্কে 'ভক্তি-প্ৰদীপ' গ্ৰন্থত কেনেদৰে ব্যাখ্যা কৰা হৈছে পৰ্যালোচনা কৰক।

### পাঠ্যবিষয় ৪.২ (ক)

১। 'অভিজ্ঞানশকুন্তলম্' নাটকৰ অতি প্ৰাকৃতিক উপাদান সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰক।

২। 'মৃচ্ছকটিকম্'-ৰ কাহিনীভাগৰ উৎস কি কি? উক্ত নাটকত নাট্যকাৰৰ নিজস্ব সৃষ্টিৰ বিষয়ে ব্যাখ্যা আগবঢ়াওক।

### পাঠ্যবিষয় ৪.৩ (ক)

১। 'ৱেইটিং ফৰ গডো'ৰ কথাবস্তুৰ পৰিচয় দাঙি ধৰি 'গডো'ৰ তাৎপৰ্য নিৰূপণ কৰক।

২। লৰেঞ্চৰ চুটিগল্পত নৰ-নাৰীৰ সম্পৰ্ক কেনেদৰে চিত্ৰিত হৈছে 'দ্য লাষ্ট লাফ' নামৰ চুটিগল্পটোৰ আধাৰত বিশ্লেষণ কৰক।

### পাঠ্যবিষয় ৪.৪ (ক)

১। 'ভাৰততীৰ্থ' কবিতাটি ভাৰতীয় মহা-জাগৰণৰ মৰ্মবাণীৰে পৰিপূৰ্ণ— ব্যাখ্যা কৰক।

২। 'নিৰ্মলা' উপন্যাসখনত প্ৰতিফলিত হোৱা সমাজখনৰ লগত অসমীয়া সমাজ-জীৱনৰ কি কি দিশত মিল দেখা যায়।

**পাঠ্যবিষয় ৪.৫ (ক)**

১। মাধৱদেৱৰ 'অৰ্জুন ভঞ্জন' 'নাটখনিত যশোদা চৰিত্ৰটিৰ মাজেৰে মাতৃ হৃদয়ৰ গভীৰ আকুলতা প্ৰকাশ পাইছে', কথাষাৰি পৰ্যালোচনা কৰক।

২। 'জ্যোতিপ্ৰসাদৰ নাটকে অসমীয়া নাট্য সাহিত্য আৰু মঞ্চ জগতত যুগান্তৰ আনিলে'— এই মন্তব্যৰ আলমত জ্যোতি প্ৰসাদৰ নাটকৰ যুগান্তকাৰী দিশবোৰ চিহ্নিত কৰি ব্যাখ্যা কৰক।

**ভাষা শাখা ঃ**

**পাঠ্যবিষয় ৪.১ (খ)**

১। 'ধম্মপদ'-ৰ 'চিত্তবগ্‌গো' আৰু 'পণ্ডিতবগ্‌গো'-ৰ বিষয়বস্তু সম্বন্ধে বহলাই বিশ্লেষণ কৰক।

২। সট্টক বুলিলে কি বুজায়? সট্টক হিচাপে কৰ্পূৰমঞ্জৰীৰ বিষয়ে এটি পৰ্যালোচনা আগবঢ়াওক।

**পাঠ্যবিষয় ৪.২ (খ )**

১। সংস্কৃতত ব্যঞ্জন ধ্বনিক কিহৰ ভিত্তিত শ্ৰেণীবিভাগ কৰা হৈছে? অসমীয়া ভাষাত এই ব্যঞ্জন ধ্বনিবোৰৰ কেনে ধৰণৰ পৰিবৰ্তন ঘটিল, সেই বিষয়ে বহলাই আলোচনা কৰক।

২। সংস্কৃত ভাষাৰ ধাতুৰ শ্ৰেণীবিভাগ দেখুৱাওক। অসমীয়া ভাষাৰ ধাতুৰ শ্ৰেণীবিভাগৰ লগত সংস্কৃতৰ ধাতুৰ শ্ৰেণীবিভাগৰ কেনেধৰণৰ যোগসূত্ৰ আছে বিচাৰ কৰক।

**পাঠ্যবিষয় ৪.৩ (খ )**

১। ধ্বনিতত্ত্বৰ দিশত কোন কোন অনাৰ্যমূলীয় ভাষাৰ কি কি প্ৰভাৱ অসমীয়া ভাষাত পৰিছে ফঁহিয়াই দেখুৱাওক।

২। বাক্যবিন্যাস বা বাক্যতত্ত্ব মানে কি? অসমীয়া বাক্যতত্ত্বৰ বিষয়ে এটি আলচ যুগুত কৰক।

**পাঠ্যবিষয় ৪.৪ (খ)**

১। উপভাষা কি ? উপভাষাৰ গঠনৰ লগত জড়িত হৈ থকা দিশবোৰৰ বিষয়ে চমুকৈ আলোচনা কৰক।

২। গোৱালপীয়া উপভাষাৰ আঞ্চলিক ভেদসমূহৰ বিষয়ে বহলাই লিখক।

**পাঠ্যবিষয় ৪.৫ (খ)**

১। 'তিব্বত-বৰ্মীয় ভাষাত আৰ্য ভাষাৰ ৰূপগত উপাদান' সম্পৰ্কে এটি আলোচনা আগবঢ়াওক।

২। তিব্বত-বৰ্মীয় ভাষাৰ বিশেষণৰ গঠণ আৰু প্ৰয়োগ সম্পৰ্কে এটি বিশ্লেষণাত্মক টোকা প্ৰস্তুত কৰক।

* * *